**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
**Headlines**

১। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ড০ শ্যামা প্ৰসাদ মুখাৰ্জীৰ শ্বহীদ দিৱস উপলক্ষে বিশিষ্ট চিন্তাবিদ তথা শিক্ষাবিদগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত দেশত বান ব্যৱস্থাপনাৰ সামগ্ৰিক প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱা হয়।

৪। নীট ইউ জি পৰীক্ষাত গ্ৰেচ নম্বৰ লাভ কৰা এহেজাৰ ৫৬৩গৰাকী পৰিক্ষাৰ্থী আজি পুনৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব।

*আৰু*

৫। ভাৰতৰ সুমিত নাগলে পেৰিচ অলিম্পিকৰ টেনিছৰ পুৰুষৰ ছিংগলছলৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ হ'ব। এই অধিবেশনত নৱনিৰ্বাচিত সদস্যসকলে শপতগ্ৰহণ কৰিব। অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰা বি জে পিৰ জ্যেষ্ঠ সাংসদ ভৰ্তৃহৰি মহতাবে লোকসভাৰ নৱনিৰ্বাচিত সাংসদসকলক শপতবাক্য পাঠ কৰোৱাব। লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। আনহাতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৭ জুনত লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্যসভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। ৩ জুলাইত সংসদৰ অধিবেশনৰ সামৰণি পৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ড০ শ্যামা প্ৰসাদ মুখাৰ্জীৰ শ্বহীদ দিৱস উপলক্ষে বিশিষ্ট চিন্তাবিদ তথা শিক্ষাবিদগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰীমোডীয়ে সসামাজিক মাধ্যমযোগে কৈছে যে ড০ মুখাৰ্জীয়ে তেওঁৰ সমগ্ৰ জীৱন ভাৰত মাতৃৰ সেৱাৰ নামত উসৰ্গা কৰি থৈ গৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে ড০ মুখাৰ্জীৰ গতিশীল ব্যক্তিত্বই দেশৰ প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি মন্তব্য কৰে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই ড০শ্যামা প্ৰসাদ মুখাৰ্জীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে পুষ্পঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা জ্ঞাপন কৰে। নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কেন্দ্ৰীয়

মন্ত্ৰীগৰাকীয়ে গছপুলিও বিতৰণ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী নাড্ডাই কয় যে প্ৰয়াত শ্যামা প্ৰসাদ মুখাৰ্জী বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল। এজন দেশপ্ৰেমিক , শিক্ষাবিদ আৰু সামাজিক ন্যায়ৰ অধিবক্তা হিচাপে তেওঁ সদায়েই স্মৰণীয় বুলিও তেওঁ উল্লেখ কৰে। ১৯৫৩ চনৰ ২৩ জুনত শ্ৰীনগৰত ৫১ বছৰ বয়সত ডঃ শ্যামা প্ৰসাদ মুখাৰ্জীৰ মৃত্যু হৈছিল।

0000000

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আজি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত দেশত বান ব্যৱস্থাপনাৰ সামগ্ৰিক প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱা হয়।

বৈঠকত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিল, কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায় আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ সচিবসকল উপস্থিত থাকে।

অলপতে উত্তৰাখণ্ড, হিমাচল প্ৰদেশ আৰু ছিকিমসহ একাংশ ৰাজ্যত ভূমিস্খলন হৈছে। অসমৰ কেইবাখনো জিলাৰ লাখ লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। একেদৰে যোৱা মাহত ৰিমাল ঘূৰ্ণীবতাহৰ ফলত ত্ৰিপুৰাত ব্যাপক ক্ষতিসাধন হৈছে। উল্লেখযোগ্য যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এইবাৰ বাৰিষা কালত স্বাভাৱিকতকৈ অধিক বৰষুণ হ'ব বুলি আগলি বতৰা দিছে।

0000000

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াইআন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত এটা পোষ্টযোগে ঐক্য আৰু শান্তিৰ হকে খেলক আকোৱালি ল'বলৈ তেওঁ সকলোকে আহ্বান জনায়। ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে লগতে সকলো খেলুৱৈকে ক্ৰীড়াৰ ক্ষেত্ৰখনত তেওঁলোকৰ আৱেগ, দায়বদ্ধতা আৰু কৃতিত্বৰ বাবে প্ৰশংসা কৰে। ২০২৪ চনৰ পেৰিছ অলিম্পিকৰ বাবে প্ৰস্তুতি চলোৱা খেলুৱৈসকলকো তেওঁ শুভেচ্ছা জ্ঞাপন কৰে।

আন্তৰ্জাতিক অলিম্পিক দিৱস ২০২৪ৰ মূল বিষয়বস্তু হৈছে- আহকআগবাঢ়ো আৰু উদযাপন কৰোঁ। ১৯৪৮ চনৰ ২৩ জুনৰ পৰা আন্তৰাষ্ট্ৰীয় অলিম্পিক দিৱস প্ৰতি বছৰে উদযাপন কৰি অহা হৈছে। এই দিৱস হৈছে ক্ৰীড়া আৰু শৰীৰ চৰ্চাৰ বাবে সমগ্ৰ বিশ্বজুৰি কৰা উদযাপন।

0000000

আকাশবাণীৰ বাতৰি সেৱা বিভাগে কাইলৈ আৰম্ভ হ'বলগীয়া অষ্ঠাদশ লোকসভাৰ প্ৰথম অধিৱেশনৰ প্ৰাক্‌ক্ষণত আজি নিশা চাৰে ৯ বজাৰ পৰা ১০ বজালৈ Issues Before Parliament আৰু Sansad Ke Samaksh Mudde শীৰ্ষক বিশেষ আলোচনা প্ৰচাৰ কৰিব। Issues Before Parliament শীৰ্ষক আলোচনালানি আকাশবাণীৰ ৰেইনবো আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। আনহাতে Sansad Ke Samaksh Mudde আলোচনালানি আকাশবাণী গোল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। এই আলোচনা নিউজ অন এ আই আৰ ডট কম আৰু আমাৰ ইউ টিউব চেনেল নিউজ অন এ আই আৰ অফিচিয়েল যোগেও প্ৰচাৰ কৰা হ'ব।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, ইউ এ ই ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে সহযোগিতাৰ বিভিন্ন বিষয় লৈ ইউ এ ইৰ বিদেশ মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব। বিদেশ মন্ত্ৰালয়ে কৈছে যে এই ভ্ৰমণে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতাৰ সকলো দিশৰ লগতে আঞ্চলিক আৰু গোলকীয় ঘটনাক্ৰমৰ পৰ্যালোচনা চলোৱাৰ সুযোগ প্ৰদান কৰিব।

০০০০০০০

বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে আজি এয়াৰ ইণ্ডিয়াৰ ১৮২ নম্বৰ কনিষ্ক বিমান দুৰ্ঘটনাৰ ৩৯ সংখ্যক বাৰ্ষিকীৰ দিনা দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা ৩২৯গৰাকী লোকলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। ১৯৮৫ চনৰ আজিৰ দিনটোতেই এই দুৰ্ঘটনা সংঘটিত হৈছিল। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে এয়া সন্ত্ৰাসবাদৰ ইতিহাসৰ আটাইতকৈ শোকাবহ ঘটনা বুলি অভিহিত কৰিছে। তেওঁ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে। বিদশ মন্ত্ৰীগৰাকীয়ে কৈছে যে এই ঘটনাই সন্ত্ৰাসবাদক কিয় সহ্য কৰিব নালাগে সেই কথা সোঁৱৰাই দিয়ে।

০০০০০০০

কাশ্মীৰ উপত্যকাৰ বাৰামুল্লা জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ উৰি খণ্ডত অব্যাহত অনুপ্ৰৱেশ বিৰোধী অভিযানত এজন সন্ত্ৰাসবাদী নিহত হৈছে। প্ৰতিৰক্ষা সূত্ৰৰ পৰা জানিব পৰা মতে, সুৰক্ষা বাহিনীয়ে কেইজনমান সন্ত্ৰাবাদীক অনুপ্ৰবেশৰ সম্ভেদ লাভ কৰাৰ পাছত শনিবাৰে বজৰং-উৰি খণ্ডত চলোৱা অভিযানৰ সময়ত সূত্ৰপাত হোৱা গুলিয়াগুলীত এই সন্ত্ৰাসবাদীজন নিহত হয়।

০০০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত নীট ইউ জি পৰীক্ষাত গ্ৰেছ নম্বৰ লাভ কৰা এক হাজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীৰ আজি পুনৰ পৰীক্ষা অনুষ্ঠিত হ 'ব। চলিত মাহৰ আৰম্ভণিতে জাৰি কৰা অধিসূচনাযোগে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছিল যে পুনৰ হ'বলগীয়া পৰীক্ষা দুপৰীয়া ২ বজাৰ পৰা বিয়লি ৫ বাজি ২০ মিনিটলৈ অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কয় যে সংস্থাটোৰ উচ্চস্তৰীয় সমি তিৰ প্ৰতিবেদনৰ ভিত্তিত উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণ অনুসৰি পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। লগতে গ্ৰেচ নম্বৰ লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী পৰীক্ষাৰ্থীৰ নম্বৰ প্ৰত্যাহাৰ কৰা হৈছে। উল্লেখযোগ্য যে গ্ৰেছ নম্বৰ লাভ কৰা যিসকল পৰীক্ষাৰ্থী পুনৰ পৰীক্ষাত অৱতীৰ্ণ হ 'ব নিবিচাৰে তেওঁলোকৰ ফলাফল বিগত মাহৰ ৫ তাৰিখে অনুষ্ঠিত হোৱা পৰীক্ষাত লাভ কৰা প্ৰকৃত নম্বৰৰ ভিত্তিত ঘোষণা কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

ভাৰতৰ সুমিত নাগলে পেৰিচ অলিম্পিকৰ টেনিছৰ পুৰুষৰ ছিংগলছলৈ যোগ্যতা অৰ্জন কৰিছে। সতীৰ্থ খেলুৱৈ ৰোহন বোপন্না আৰু এন শ্ৰীৰাম বালাজীয়ে ইতিমধ্যে অলিম্পিকৰ ডাবলছ্ত স্থান নিশ্চিত কৰিছে। নাগলে অলপতে অনুষ্ঠিত হিলব্ৰ'ন চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাত লাভ কৰা সফলতাৰ সুবাদত অলিম্পিকত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। এই বছৰ নাগলে দুখন চেলেঞ্জাৰ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

0000000

আফগানিস্তানে আজি পুৱা কিংষ্টনত অনুষ্ঠিত আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ ৰোমাঞ্চকৰ অষ্টমখন খেলত অষ্ট্ৰেলিয়াক ২১ ৰাণত পৰাস্ত কৰে। খেলখনত আফগানিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১৯ অভাৰত আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আফগানিস্তানৰ হৈ গুলবদিন নঈবে চাৰিটা গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। গুলবদিনক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়। ইপিনে ইংলণ্ডে বাৰবাডোছত হ'বলগীয়া প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

0000000

**ঃ সমাপ্ত ঃ**